# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2024
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINE***

১। প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি আৰু কাইলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলাৰ কাৰ্যালয় মুকলি।

২। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ পাছতে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক বিভিন্ন দল-সংগঠনৰ আদৰণি।

৩। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বে-দখলকাৰীৰ কবলত পৰা প্ৰায় ২২ হাজাৰ বিঘা ভূমি উচ্ছেদ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ আমোলত হোৱা ১৪ টাকৈ জিলা মেলেৰীয়া বিষয়া পদৰ নিযুক্তি বাতিলৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

*আৰু*

৫। শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে সাত বজাৰ পৰা ভাৰত-নিউজিলেণ্ডৰ খেল।

0000000

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি আৰু কাইলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলাৰ কাৰ্যালয় মুকলি কৰা হৈছে। এই প্ৰশাসনিক সংস্কাৰমূলক ব্যৱস্থাৰ দ্বাৰা এতিয়াৰে পৰা সাধাৰণ নাগৰিকে ভূমি ৰাজহ দণ্ডাধীকাৰ, উন্নয়ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, খাদ্য আৰু অসামৰিক যোগান, আবকাৰী আদি বিভিন্ন জিলা পৰ্যায়ৰ সেৱাসমূহ সমজিলাৰ কাৰ্যালয়তে লাভ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমজিলা মুকলি সন্দৰ্ভত সামাজিক মাধ্যমযোগে কয় যে, ৰাজ্যত মহকুমা ব্যৱস্থাটোৰ বিলুপ্তি ঘটোৱা হৈছে। আজিৰ পৰা ৰাজ্যত কোনো মহকুমা নাথাকিব। মহকুমাক এতিয়াৰে পৰা সমজিলা হিচাপে জনা যাব। সমজিলা মানে জিলাৰ প্ৰায় সমান, এই ব্যৱস্থাই জনসাধাৰণক চৰকাৰী সেৱাসমূহ লাভ কৰাত অধিক উপকৃত কৰিব।

বিত্তমন্ত্ৰী অজন্তা নেওগে আজি সমজিলাৰ স্বীকৃতি লাভ কৰা যোৰহাট জিলাৰ তিতাবৰ সমজিলাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয় মুকলি কৰে। আনহাতে ৰাজ্য চৰকাৰৰ ভূমি সংৰক্ষণ, ৰেচম, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই গোৱালপাৰা জিলাৰ সমজিলাৰ স্বীকৃতি লাভ কৰা আগিয়া সমজিলাৰ কাৰ্যালয় মুকলি কৰে। একেদৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ধুবুৰী জিলাৰ সমজিলাৰ স্বীকৃতি লাভ কৰা গোলকগঞ্জ আৰু বিলাসীপাৰা সমজিলা দুখনৰ কাৰ্যালয় মুকলি কৰে। পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কৰিমগঞ্জ জিলাৰ ৰামকৃষ্ণ নগৰ আৰু পাথাৰকান্দিত দুখন সমজিলাৰ কাৰ্যালয় উদ্বোধন কৰে। গোলাঘাট জিলাৰ সমজিলা স্বীকৃতি লাভ কৰা ডেৰগাঁৱৰ সমজিলা আয়ুক্ত কাৰ্যালয় জিলাখনৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণে আনুষ্ঠানিকভাৱে মুকলি কৰে। ডেৰগাঁৱৰ চক্ৰবিষয়াৰ কাৰ্যালয়ৰ কাষতে থকা নতুন

পৰিদৰ্শন বঙলাটোক ডেৰগাঁও সমজিলাৰ কাৰ্যালয় হিচাপে মুকলি কৰা হৈছে। আনহাতে জিলাখনৰ সমজিলাৰ স্বীকৃতি লাভ কৰা বোকাখাটৰ সমজিলা আয়ুক্তৰ কাৰ্যালয় কৃষিমন্ত্ৰী অতুল বৰাই ফিটা কাটি মুকলি কৰে। মন্ত্ৰী সঞ্জয় কিষাণে গোলাঘাটৰে ধনশিৰি সমজিলাৰ কাৰ্যালয়ো আনুষ্ঠানিকভাৱে মুকলি কৰে। গোলাঘাটৰ সৰুপথাৰেও সমজিলাৰ স্বীকৃতি লাভ কৰিছে। মন্ত্ৰী বিমল বৰাই তিনিচুকীয়া জিলাৰ শদিয়া সমজিলাৰ আয়ুক্ত কাৰ্যালয় মুকলি কৰে। কাৰ্যালয়টো মুকলি কৰি বিমল বৰাই কয় যে, সমজিলা মুকলি প্ৰশাসনক ৰাইজৰ একেবাৰে ওচৰলৈ নিয়াৰ ই এক মহত্তম প্ৰচেষ্টা। সমজিলাৰ জৰিয়তে জিলাৰ ভিতৰতে ক্ষুদ্ৰ প্ৰশাসনিক গোট হিচাপে সমজিলাই নেতৃত্ব বহন কৰিব। তিনিচুকীয়া জিলাৰ শদিয়াৰ লগতে মাৰ্ঘেৰিটা আৰু ডুমডুমায়ো সমজিলাৰ স্বীকৃতি লাভ কৰিছে। ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘলে দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁও সমজিলাৰ আয়ুক্ত কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰে। দুখন পৃথক জনসভাত  অংশগ্ৰহণ কৰি মন্ত্ৰী সিংঘলে কয় যে, শাসন ব্যৱস্থাক অধিক জনমুখী কৰাৰ লগতে সৰ্বসাধাৰণৰ বাবে চৰকাৰী সেৱাসমূহ অধিক সুলভ আৰু কাৰ্যক্ষম কৰি তোলাৰ দিশত সমজিলা এটা অভিলাসী প্ৰয়াস। জলসম্পদ, সংসদীয় পৰিক্ৰমা তথা তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি দুটা সুকীয়া অনুষ্ঠানত বিশ্বনাথ জিলাৰ বিহীল আৰু শোণিতপুৰ জিলাৰ ন-দুৱাৰ সমজিলাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই সমজিলা আয়ুক্ত কাৰ্যালয় মুকলি কৰি এই ব্যৱস্থাই প্ৰশাসনিক সংস্কাৰৰ লগতে উন্নয়ন ত্বৰান্বিত কৰিব বুলি উল্লেখ কৰে।

ইপিনে, ৰাজ্যৰ প্ৰশাসনিক খণ্ডৰ নৱতম সংযোজন হিচাপে কামৰূপ মহানগৰ জিলাৰ জালুকবাৰী সমজিলাৰ আয়ুক্ত কাৰ্যালয় কাইলৈ মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমজিলা আয়ুক্তৰ কাৰ্যালয়টো মুকলি কৰিব। কামৰূপ মহানগৰ জিলাৰ জালুকবাৰীৰ উপৰি নিউ-গুৱাহাটী আৰু দিছপুৰক সমজিলাৰ স্বীকৃতি দিয়া হৈছে।

একেদৰে বঙাইগাঁৱৰ অভয়াপুৰী, কামৰূপ জিলাৰ ৰঙিয়া, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে মৰিগাঁৱৰ লাহৰিঘাট আৰু জাগীৰোড, হোজাই জিলাৰ লামডিং, বিশ্বনাথৰ গহপুৰ, লখিমপুৰ জিলাৰ ঢকুৱাখনা, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। ইফালে  ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া, দুলীয়াজান, তিংখং আৰু খোৱাং, শিৱসাগৰৰ নাজিৰা আৰু ডিমৌ সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ আৰু চৰাইদেউ জিলাৰ মাহমৰাই সমজিলাৰ স্বীকৃতি লাভ কৰিছে। প্ৰথম পৰ্যায়ত আজি ১৭ খন সমজিলাৰ কাৰ্যালয় মুকলি কৰাৰ বিপৰীতে কাইলৈ ২২ খন সমজিলাৰ কাৰ্যালয় মুকলি হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে অসমীয়া, মাৰাঠী, পালী, প্ৰাকৃত আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনোৱাৰ পাছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক সমূহ অসমবাসীৰ হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনায়। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াক লৈ কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এইদৰে কয়–

***ঃঃ ভইছ কাষ্ট ঃঃ***

ইপিনে, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰাণ শ্বাহে ভাৰত চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াত সন্তুষ্টি প্ৰকাশ কৰে। অসমীয়াৰ দায়িত্ব এতিয়া আৰু বাঢ়িল বুলি শ্ৰী শ্বাহে মন্তব্য কৰিছে।

অসমীয়া ভাষাটো বহু প্ৰাচীন যদিও ভাষাটোৱে বিভিন্ন সময়ত সংকটৰ সন্মুখীন হৈ আহিছে। এটা সময়ত অসমতে অসমীয়া ভাষাৰ প্ৰচলন বন্ধ হোৱাৰ উপক্ৰম ঘটাৰ বিষয়ে উল্লেখ কৰি শ্ৰী শ্ৰাহে অসমীয়া জাতিয়ে সকলো সময়তে সজাগ হৈ থাকি নিজৰ ভাষাটোক অসমতে হওক বা আন ৰাজ্যতে মত বিনিময়ৰ ক্ষেত্ৰত প্ৰথমে অসমীয়া ভাষাকে ব্যৱহাৰৰ বাবে পৰামৰ্শ আগবঢ়ায়।

আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাত অসমৰ জনসাধাৰণ গৌৰৱান্বিত বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। অসমীয়া ভাষাৰ কাণ্ডাৰী, গৱেষক আৰু সাধকসকলৰ সাধনাৰ বাবে এই প্ৰাপ্তি সম্ভৱ হ'ল বুলি উল্লেখ কৰি আছুৰ নেতাগৰাকীয়ে ভাষা আৰু মাধ্যম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ এই ঐতিহাসিক মুহূৰ্তত অসমীয়া ভাষা সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে সংকল্প ল'বলৈ সকলোলৈ আহ্বান জনায়।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বে-দখলকাৰীৰ কবলত পৰা প্ৰায় ২২ হাজাৰ বিঘা ভূমি উচ্ছেদ কৰিছে বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এয়া বণ্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা বুলি প্ৰকাশ কৰাৰ লগতে ওৰাং ৰাষ্ট্ৰীয় উদ্যান এতিয়া কাজিৰঙা আৰু বুঢ়া চাপৰিৰ সৈতে পোনপটীয়াকৈ সংযোগ হৈ পৰা বুলিও উল্লেখ কৰিছে।

০০০০০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ধুবুৰীত নাবাৰ্ডৰ নৱনিৰ্মিত জিলা কাৰ্যালয়টোৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে কাৰ্যালয় মুকলি কৰি অনাগত দিনত নাবাৰ্ডে জিলাখনৰ কৃষিখণ্ড তথা গ্ৰাম্য উদ্যোগৰ সৈতে জড়িতসকলক বিভিন্ন সহায়-সহযোগিতা আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ আমোলৰ ১৪ টাকৈ জিলা মেলেৰীয়া বিষয়া পদৰ নিযুক্তি বাতিলৰ নিৰ্দেশ দিছে। এগৰাকী বঞ্চিত প্ৰাৰ্থীয়ে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নীকৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে ১৪টাকৈ পদৰ বাচনিৰ তালিকা বাতিল কৰি নতুনকৈ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। লোকসেৱা আয়োগে ২০১২ চনত স্বাস্থ্য বিভাগৰ অধীনত ১৪টাকৈ মেলেৰীয়া বিষয়া পদৰ বিজ্ঞাপন প্ৰকাশ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত আয়োগে বাচনি পৰীক্ষা আৰু মৌখিক পৰীক্ষা পাতি ১৪ গৰাকী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। কিন্তু একাংশ প্ৰাৰ্থীক নম্বৰ বৃদ্ধি কৰি উত্তীৰ্ণ কৰোৱা আৰু কেৱল মৌখিক পৰীক্ষাৰ নম্বৰৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰাক লৈ এজন বঞ্চিত প্ৰাৰ্থীয়ে উচ্চ ন্যায়ালয়ত গোচৰ তৰিছিল। এই গোচৰৰ ভিত্তিতে আজি ন্যায়ালয়ে ১৪টাকৈ মেলেৰীয়া বিষয়া পদৰ বাছনি তালিকা বাতিল কৰে। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ সংবাদদাতা হেমন্ত বৰা—

***ঃঃ ভইছ কাষ্ট ঃঃ***

০০০০০০০

জলকীয়া খেতিৰ সম্প্ৰসাৰণ আৰু ইয়াৰ বাণিজ্যিক লাভালাভৰ প্ৰতি লক্ষ্য ৰাখি জলকীয়াৰ চুক্তিবদ্ধ শস্য উৎপাদন সন্দৰ্ভত আজি মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। এই সভাত জলকীয়া উৎপাদন

আৰু ৰঙা শুকান জলকীয়া যোগান সন্দৰ্ভত মাজুলীৰ নিৰ্বাচিত কেইবাগৰাকীও কৃষক আৰু গুৱাহাটীত থকা এটা কোম্পানীৰ মাজত এখন বুজাবুজিৰ চুক্তি সম্পন্ন হয়। এই চুক্তি অনুসৰি কৃষকে উৎপাদিত জলকীয়াৰ পৰা ৰঙা শুকান জলকীয়া কোম্পানীটোক যোগান ধৰিব। ইয়াৰ জৰিয়তে এই প্ৰক্ৰিয়াত জড়িত কৃষকসকলে অনাগত সময়ত উপযুক্ত লাভ পাবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হৈছে। কৃষকসকলৰ মাজত এই অনুষ্ঠানতে বীজ, সাৰ আদি সামগ্ৰী বিতৰণ কৰা হয়। মাজুলীৰ বিধায়ক ভূবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে কৃষি বিভাগৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে বন্যপ্ৰাণী সপ্তাহ ২০২৪ উদযাপনৰ অংশ হিচাপে দিনজোৰা কাৰ্যসূচীৰে আজি এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিষ্ঠানটোৰ বিজ্ঞানী, বিষয়া আৰু অন্যান্য সহায়ক-কৰ্মচাৰীসকলে পক্ষী নিৰীক্ষণ কৰে। তেওঁলোকে প্ৰতিষ্ঠানটোৰ চৌহদত প্ৰায় ২৯টা বিভিন্ন প্ৰজাতিৰ চৰাই প্ৰত্যক্ষ কৰে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আদিও অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি বেচৰকাৰী অনুষ্ঠান আৰণ্যকৰ জ্যেষ্ঠ প্ৰৱন্ধক ড° দীপাংকৰ লহকৰে ভাৰতত পৰিস্থিতি বিজ্ঞান, বাঘৰ জীৱ বিজ্ঞান আৰু ইয়াৰ সংৰক্ষণৰ ইতিহাসৰ সৈতে সংগতি ৰাখি বক্তব্য প্ৰদান কৰে। তেওঁ মানস ৰাষ্ট্ৰীয় উদ্যানখনৰ ওপৰত নৃতাত্বিক চাপৰ বিষয়েও আলোকপাত কৰে।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাইত আজি হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিজৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

আনহাতে, আজি বিয়লি অনুষ্ঠিত হোৱা আন এখন খেলত ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ১০ উকেটত জয়লাভ কৰিছে। ৱেষ্ট ইণ্ডিজে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১১৮ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এটাও উইকেট নেহেৰুৱাকৈ ১৭ অভাৰ ৫টা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। আকাশবাণীয়ে হিন্দী আৰু ইংৰাজীত এই খেলৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিছে।

১০ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখন অহা ২০ অক্টোবৰলৈ চলিব। প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে।

০০০০০০০

বিশ্ব জলাতংক প্ৰতিৰোধী সপ্তাহ উপলক্ষে আজি মাজুলীত জিলা স্বাস্থ্য বিভাগ আৰু পশুপালন তথা পশু চিকিৎসা বিভাগৰ সৌজন্যত জলাতংক প্ৰতিষেধক প্ৰদান কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জিলা পশু চিকিৎসা বিষয়াগৰাকীয়ে জলাতংক ৰোগৰ প্ৰতিৰোধ সম্পৰ্কে ব্যক্তব্য ৰখাৰ লগতে সমল ব্যক্তি বৰ্ষা বৰুৱা ৰয়ে এই ৰোগ

প্ৰতিৰোধ সম্পৰ্কে উপস্থিত ৰাইজৰ সজাগতাৰ উদ্দেশ্যে ভাষণ দিয়ে। বিষয়াগৰাকীয়ে কুকুৰ-মেকুৰী আদিয়ে আঁচুৰিলে ১৫ মিনিটৰ বাবে সেই ঠাইখিনি খাৰযুক্ত চাবোনেৰে নলৰ পানীত ধুব লাগে বুলি জনায়। ইয়াৰ লগতে জলাতংক প্ৰতিৰোধী প্ৰতিষেধক উপলভ্য চিকিৎসালয়ত উপযুক্ত চিকিৎসা গ্ৰহণৰ বাবে তেওঁ পৰামৰ্শ আগবঢ়ায়। বৰ্তমান মাজুলীৰ ৰাইজক বিভিন্ন জিলা চিকিৎসালয় আৰু সামূহিক স্বাস্থ্যকেন্দ্ৰত এই ৰোগৰ প্ৰতিষেধকৰ উপলভ্যতাৰ বিষয়ে তেওঁ অৱগত কৰে। এই অনুষ্ঠানতে ১৫ টা কুকুৰক জলাতংকৰ প্ৰতিষেধক প্ৰদান কৰাৰ লগতে ৭ গৰাকী লোকক আগতীয়া জলাতংকৰ প্ৰতিষেধক প্ৰদান কৰা হয়।

0000000

**সমাপ্ত**